**GUIDELINES FOR SEC PRACTICAL**
**(CRTICAL THINKING)**
**Full Marks: 50**

তলৰ প্ৰাগ্ৰাফবোৰ পঢ়া আৰু তাৰ ওপৰত -----

1. এটা শিৰোনাম তৈয়াৰ কৰা -------------------- 10

2. এটা নোট তৈয়াৰ কৰা --------------------------- 15

3. যিকোনো চাৰিটা প্ৰাগ্ৰাফৰ "ভাষান্তৰ কৰা ---- 16

4. যিকোনো তিনিটা প্ৰশ্ন গঠন কৰা --------------- 09

পৃথিবীত মানুহৰ সৃষ্টি এক বিস্ময়কৰ ঘটনাই অকল নহয়, ই এক অপূৰ্ব ঘটনাও। বায়ু, পানী, পোহৰ, তাপ, গছ-গছনি, জীব-জন্তুৱে পৃথিবীক বিনন্দীয়া সাজিছে। ই যদিও সৌৰ জগতৰ নটা গ্ৰহৰ মাজৰ এটা, তথাপি ইয়াৰ বৈশিষ্ট্য অসাধাৰণ। সৌৰজগতৰ দৃষ্টিৰপৰা ই মাত্ৰ এটা গ্ৰহ ৰূপে সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰিছে। কিন্তু ই পিঠিত লৈ ফুৰিছে আপুৰুগীয়া সৌষ্ঠাব-সম্ভাৰ। এই সৌষ্ঠব সম্ভাৰৰ ভিতৰত মানুহো অন্তৰ্ভুক্ত।

মানব জীবন বুলিলে মানুহৰ জীবনকে বুজা যায়। অকল মানুহৰ জীবনেই নহয় অন্যান্য জীব-জন্তুৰ জীবন, গছ-গছনিৰ জীবনৰ সৃষ্টি, সংৰক্ষণ আৰু সংবৰ্ধনৰ উপাদান সমূহ এই জগততে আছে। এই উপাদন সমূহ অবশ্যে অকল পৃথিবীতে নাই; সূৰ্যও এই

উপাদানৰ যোগান ধৰাৰ এক উল্লেখযোগ্য উৎস। সূৰ্যৰ বাহিৰেও বিশ্ব-ব্ৰহ্মাণ্ডৰ অন্যান্য উৎসৰপৰাও জীৱন সংৰক্ষণৰ উপাদান আহিব পাৰে।

সকলোবোৰ জন্তুৰ ভিতৰত মানুহেই একমাত্ৰ মানসিকভাবে চেতনা যুক্ত। মানুহত জৈবিক প্ৰবৃত্তিৰ উপৰিও মানসিক, বৌদ্ধিক, আধ্যাত্মিক আদি প্ৰবৃত্তি আছে। মানুহৰ মস্তিষ্ক উচ্চ খাপৰ। এতেকে সকলোবোৰ জীৱৰ ভিতৰত মানুহে এক সুকীয়া স্থান অধিকাৰ কৰিছে।

জীয়াই থকাৰ প্ৰবৃত্তি সকলো প্ৰাণীতে আছে। জীৱনক সংৰক্ষণ আৰু বৃদ্ধি কৰাৰ প্ৰবৃত্তি প্ৰাণীৰ স্বভাৱগত। ই প্ৰকৃতি প্ৰদত্ত। পৃথিৱীত জন্ম লোৱাৰে পৰা মানুহে জীয়াই থাকিবৰ বাবে নানা ব্যৱস্থা কৰি আহিছে। এই ব্যৱস্থা ব্যক্তিগত ভাৱেও কৰিছে, সামূহিক ভাৱেও কৰিছে। এই ব্যৱস্থাবোৰৰ মাজৰে ধৰ্মও এটা।

প্ৰথমতে মানুহে বন্য প্ৰাণীৰ দৰেই বসবাস কৰিছিল। লাহে লাহে হাত আৰু মগজুৰ ব্যৱহাৰে জীৱনৰ বাবে লাগতিয়াল সম্ভাৰ খিনিক গোটাই লোৱাৰ পথ সুগম কৰে। লাহে লাহে মগজুৰ বিকাশ ঘটিবলৈ ধৰে আৰু চেতনা বৃদ্ধি পায়। লগে লগে বুদ্ধিৰো বিকাশ হয়। মানুহ বিমূৰ্ত চিন্তা কৰিব পৰা অৱস্থা পাইগৈ। বিজ্ঞান, গণিত, জ্যোতিৰ্বিদ্যা, তৰ্কশাস্ত্ৰ, দৰ্শন আদিৰ সৃষ্টি হয়। মানুহ দ্বিতীয় স্ৰষ্টা হিচাপে পৰিগণিত হয়।

মানৱ জীৱনলৈ অন্যান্য বহুতো বস্তু আহি পৰাৰ লগে লগে সভ্যতাৰ নিৰ্দিষ্ট এক পৰ্যায়ত ধৰ্মও আহি পৰে। জৈবিক ভাৱে ই প্ৰয়োজনীয় নহ'লেও জীৱনৰ প্ৰয়োজনতে ই আহি পৰিছে। ভুলেই হওক বা শুদ্ধই হওক জীৱনৰ প্ৰয়োজনতে এইদৰে মানুহৰ জীৱনলৈ বহুতো বস্তু আহি পৰিছে। কোনোবোৰ বস্তুৱে মানুহৰ ন্যূনতম চাহিদা পূৰণ কৰিছে আৰু কোনোবোৰে মানৱ জীৱনৰ সৌষ্ঠৱ বঢ়াইছে। জীৱনক সমৃদ্ধ কৰাৰ দিশত ধৰ্মৰ ভূমিকা অনস্বীকাৰ্য।

ধৰ্মক আমি মানৱ জীৱনৰ এক উপাদান বুলি ধৰিব পাৰোঁ। ই জীৱনক সৌষ্ঠৱশালী কৰাৰ এক উপাদান। ইয়াক মানৱ সংস্কৃতিৰো এক উপাদান ৰূপে গণ্য কৰিব পাৰি।

বন্যপ্ৰাণীৰ দৰে চিকাৰ কৰি ফুৰোতে, বা গছৰ ফল সংগ্ৰহ কৰোতে মানুহে ধৰ্মৰ কথা ভবা নাছিল। তেতিয়া মগজুৰো বিকাশ ঘটা নাছিল। কিন্তু মানুহৰ মানসিক প্ৰৱণতা খিনি যিহেতু জঙ্গম আছিল সেয়ে বন্যপ্ৰাণীৰ জীৱনে মানুহক আমুৱালে। মানুহে চিন্তা কৰিলে কেনেকৈ কিছু নিৰাপত্তা আৰু আশ্ৰয়েৰে জীৱন কটাব পৰা যায়। ফলত সৃষ্টি হ'ল কৃষিকৰ্ম, লগে লগে সৃষ্টি হ'ল কৃষিকৰ্মৰ লগত জড়িত নানা হাথিয়াৰ, আচবাব। প্ৰাণীক বধ কৰাৰ পৰিবৰ্তে সিহঁতৰ কিছুমানক কৃষিকৰ্মত সহায় কৰিবৰ বাবে আৰু খাদ্যৰ বাবেও পুহিবলৈ ধৰিলে। এইদৰে মানুহে জীৱন সংৰক্ষণৰ বাবে পৰিশ্ৰম কৰাৰপৰা অলপ কিছু সময় আহৰিৰ বাবে উলিয়াই ল'লে। এই সময় খিনিতে মানুহৰ মনলৈ নানা ভাব আহিল। এইবোৰ ভাবক কিছু পৰিমাণে দাৰ্শনিক ভাব বুলিও অভিহিত কৰিব পাৰি।

মানুহে নিজকে প্ৰশ্ন কৰিবলৈ ধৰিলেঃ তেওঁলোক কোন? তেওঁলোক ক'ৰপৰা আহিছে আৰু কলৈ যাব? এই যাত্ৰাৰ শেষ ক'ত? মৃত্যুৰ পাচত তেওঁলোক কি হ'ব বা আগতে

কি আছিল? জীৱনৰ অৰ্থ কি? এই জগতৰ উৎস ক'ত? ইত্যাদি। এই প্ৰশ্নবোৰ মানুহৰ মনত এতিয়াও আছে। এইবোৰৰ সমাধানৰ কল্পেই মানৱ জীৱনলৈ আহি পৰিছে দৰ্শন, ধৰ্ম, বিজ্ঞান, কলা, সাহিত্য ইত্যাদি।

সৃষ্টিধৰ্মিতা প্ৰাণীৰ এক জৈবিক প্ৰবৃত্তি। অন্যান্য প্ৰাণীয়ে জীৱনৰ প্ৰয়োজনতে থকা ঠাই আদি তৈয়াৰ কৰি লয়, আহাৰ সংগ্ৰহ কৰে। মানুহৰ ক্ষেত্ৰত এই জৈবিক প্ৰৱণতাৰ লগত যোগ হ'ল মানসিক প্ৰৱণতা। এই দুয়ো প্ৰৱণতাৰ সংযোগত মানুহে সৃষ্টি কৰি গ'ল নিতৌ ন ন বস্তু। ধৰ্মৰ সৃষ্টিও ইয়াৰে ফলশ্ৰুতি।

মানৱ জীৱনত মানসিক উপাদান এক ডাঙৰ উপাদান। ইয়াৰ ভিতৰত মনস্তাত্বিক, বৌদ্ধিক, সৌন্দৰ্যাত্মক, প্ৰমূল্যাত্মক, আধ্যাত্মিক আদি উপাদানবোৰ পৰে। মনস্তাত্বিক উপাদানৰ ভিতৰত দয়া, মৰম, অনুকম্পা, ঈৰ্ষা, ভয়, আবেগ, অনুভূতি আদি পৰে। বৌদ্ধিক উপাদানৰ ভিতৰত জ্ঞান, প্ৰজ্ঞা, যুক্তি-তৰ্ক, চিন্তা, প্ৰকল্প গঠন, অনুমান, সত্যতা আদি পৰে। সৌন্দৰ্যাত্মক উপাদানৰ ভিতৰত কলাত্মক প্ৰৱণতাই প্ৰধান। আধ্যাত্মিক উপাদনৰ স্বৰূপ অলপ খেলিমেলি যদিও বহুতে প্ৰধানকৈ এই ভাবৰ পৰিপ্ৰেক্ষতেই ধৰ্মৰ সৃষ্টি বুলি ভাবে।

বিশ্বাস কৰ্মোদম্যৰ এক ঘাই উপাদান। ই যদিও এক মানসিক উপাদান, তথাপি কৰ্মোদ্যমৰ ই এক ডাঙৰ প্ৰেৰণা। প্ৰথম পৰ্যায়ত মানুহে বিশ্বাসৰ মাধ্যমেৰেই চলিছিল। কাৰণ গণিত ধৰ্মী নিশ্চিত জ্ঞানৰ লগত তেতিয়াও মানুহৰ ভালকৈ পৰিচয় হোৱাই নাছিল। পিচলৈ অভিজ্ঞতাসিদ্ধ কথাবোৰত নিশ্চিতজ্ঞান পালে যদিও পাৰলৌকিক কথাবোৰত এই জ্ঞান লাভৰপৰা মানুহ আঁতৰত থাকিল। গতিকে বিশ্বাস বৰ্তি থাকিল। এই বিশ্বাসৰ মাধ্যমেৰেই সন্দেহক দূৰীভূত কৰি মানুহে তৈয়াৰ কৰি ল'লে এখন ধৰ্মীয় জগতৰ।

কিন্তু এশ্ৰেণী মানুহৰ মনৰপৰা সন্দেহ দূৰীভূত নহ'ল। উক্ত পাৰলৌকিক কথাবোৰৰ বিষয়ে তেওঁলোকৰ সন্দেহৰ অন্ত নপৰিল। নিশ্চিত জ্ঞান লাভ নকৰালৈকে তেওঁলোক ক্ষান্ত নহ'ল। তেওঁলোকে চিন্তা কৰি গৈ থাকিল। এই সকল লোককে দাৰ্শনিক আখ্যা দিয়া হয়।

ধৰ্ম প্ৰধানতঃ এক মানসিক অবস্থা। বস্তু জগতৰ প্ৰতি মানুহৰ মানসিক প্ৰতিক্ৰিয়াতে ধৰ্মৰ সৃষ্টি হৈছে। ই বহুতৰ বাবে এক মানসিক প্ৰয়োজনীয়তা। হোৱাইট হেডেও ইয়াক এক মানসিক ক্ৰিয়া বুলি ধৰে। ব্ৰেডলিয়েও কয় যে ই নিহিত থাকে মানুহৰ চেতনামূলক অভিজ্ঞতাত (Sentient experience)। বহুতে ইয়াক আবেগ বিজৰিত নৈতিকতা বুলি ধৰে। মেথিউ আৰ্নল্ডেও এই কথা কৈছে। কাণ্টে আকৌ নৈতিক ইচ্ছাৰ লগত ই জড়িত বুলি কয়।

মানুহৰ নিৰল অকলশৰীয়া ক্ষণত বহুতো ভাব মনলৈ আহে। মনলৈ অহা বিভিন্ন প্ৰশ্নৰ সমাধান যেতিয়া তৰ্কীয় যুক্তি বা বাস্তৱ অভিজ্ঞতাত বিচাৰি নাপায়, তেতিয়া মানুহে বিশ্বাসৰ আশ্ৰয় লয়। এই বিশ্বাসো এক মানসিক অভিজ্ঞতাই। মানুহ মনৰ দ্বন্দ্ব দূৰীকৰণৰ চিৰ প্ৰয়াসী। ধৰ্মীয় বিশ্বাসৰ মাজেৰে বহুত মানুহে এনে দূৰীকৰণৰ পথ পায়।

বিশ্বাসেৰে এই দ্বন্দ্ব বা সন্দেহ মৰিষণ কৰিব বিচাৰে। ইয়াতেই ধৰ্মৰ প্ৰয়োজনীয়তা।

মানসিক সত্তাটোৱেই সমগ্ৰ মানুহটোক নিয়ন্ত্ৰণ কৰে। জৈৱিক প্ৰবৃত্তিৰ **দ্বাৰা মানুহ** প্ৰধানতঃ নিয়ন্ত্ৰিত যদিও এই প্ৰবৃত্তিক মানসিক প্ৰৱণতাই নিৰ্দেশনা দিয়ে। **ধৰ্মৰ চাহিদা** আহি পৰিছে এই মানসিক প্ৰৱণতাতে।

মানুহ নিজৰ সীমাবদ্ধতাৰ প্ৰতি সচেতন। বিৰাট বিশ্ব ব্ৰহ্মাণ্ডৰ সন্মুখত মানুহে অসহায় অনুভব কৰে। তথাপি মানুহে পৃথিৱী জয় কৰিবলৈ যাব বিচাৰে, বিশ্ব-ব্ৰহ্মাণ্ডৰ বিষয়ে জানিবলৈ যায়। যদিও সীমাবদ্ধ তথাপি মানুহে জানে যে তেওঁৰ ভিতৰত অসীম সম্ভাবনা বৰ্তমান। তেওঁ পূৰ্ণতাৰ সপোন দেখে। গতিকে কায়িক আৰু মানসিক এই উভয় দিশতে তেওঁ সম্পূৰ্ণতা বিচাৰি যায়। এই বিচৰাৰ পথতে ধৰ্মই আহি দেখা দিছে। পূৰ্ণতাৰ এই আশা মানুহে মনতে পুহি ৰাখিছে আৰু তাৰ বিভিন্ন পথ বিচাৰি গৈছে। ধৰ্মক এটা পথ হিচাপে মানুহে বাচি লৈছে যাৰ মাজেদি গ'লে সি হয়তো পূৰ্ণতাৰ লক্ষ্যত উপনীত হ'বগৈ পাৰিব।

পূৰ্ণ হ'বলৈ হ'লে এক পূৰ্ণ সত্তাৰ ধাৰণা মানুহৰ প্ৰয়োজন। ঈশ্বৰকে এই পূৰ্ণ সত্তা বুলি বহুতো মানুহ ভাবিছে। গতিকে ঈশ্বৰ মানুহৰ জীৱনৰ আদৰ্শ। এই আদৰ্শত উপনীত হোৱাৰ উপায় স্বৰূপে মানুহে ধৰ্মক গঢ় দি লৈছে।

বহুতো মানুহে ভাবে যে পাৰ্থিৱ জগতক অতিক্ৰম নকৰাকৈ উক্ত আদৰ্শ লক্ষ্যত উপনীত হ'ব নোৱাৰি। সেয়ে ধৰ্মত পাৰ্থিৱ জগতক কম মূল্য দিয়া হয়, বিষয়-বাসনাক ত্যাগ কৰিবলৈ কোৱা হয়। সময়-সাপেক্ষ জগততকৈ সময়হীন জগতক বেচি গুৰুত্ব দিয়ে। ঈশ্বৰক সেই সময়হীন বা কালাতীত জগতৰে সামগ্ৰিক পৰম সত্তা বুলি স্বীকাৰ কৰে আৰু সেই পৰম সত্তাৰ প্ৰতি নিজকে অৰ্পি উক্ত আদৰ্শ লাভৰ প্ৰস্তুতি চলায়। ধৰ্ম এই ঈশ্বৰ প্ৰাপ্তিৰ প্ৰস্তুতি পৰ্ব। ধৰ্মৰ তাৎপৰ্য নিহিত থাকে অজ্ঞাত আৰু অজ্ঞেয় জগতখনত। জ্ঞেয় জগতত যিহেতু কোনো ৰহস্য নাই, সেয়ে ই ধৰ্মৰ আধাৰ ক্ষেত্ৰ নহয়। অৱশ্যে জ্ঞেয় জগততো ৰহস্য নোহোৱা নহয়। কিন্তু এই ৰহস্যৰ সাঁথৰ ভাঙিবলৈ চেষ্টা কৰে বিজ্ঞানে।

ধৰ্ম তিষ্ঠি থাকে উক্ত অজ্ঞেয় জগতৰ আলমত। এই অজ্ঞেয় জগত আছে বুলি মানুহে বিশ্বাসত লয়। এই বিশ্বাস বহু পৰিমাণে কল্পনা-ৰঞ্জিত। এই অজ্ঞেয় জগতৰ সত্তাবোৰকে পৱিত্ৰ বুলি ধাৰ্য কৰা হয়, আৰু সেইবোৰ আমাৰ জীৱনৰ আদৰ্শ স্বৰূপ হয়। সেয়ে ধৰ্মীয় লোকসকল ইহজগততকৈ পাৰলৌকিক জগতৰ প্ৰতি বেচি আকৃষ্ট হয়। এই পাৰলৌকিক জগতকে পাৰমাৰ্থিক জগত বুলি ভবা হয়। এই পাৰমাৰ্থিক জগতৰ সত্তাবোৰৰ প্ৰতীক সাজি সেইবোৰক পূজা-অৰ্চনা কৰা হয়, ভবা হয় যে দেশ-কালত নথকা চিৰন্তন সত্তাবোৰ প্ৰতীক অকাৰতহে দেশ-কালিক জগতত পাব পাৰি।

মানুহে জীৱনৰ অৰ্থ উক্ত পাৰমাৰ্থিক জগতত বিচাৰি যায়। ৰাধাকৃষ্ণনে লিখিছে, "God is the meaning of the world." কথাষাৰ বেচ তাৎপৰ্যপূৰ্ণ। জগতত বৰ্তা ইহ জীৱনৰ অৰ্থ নিহিত থাকে পাৰমাৰ্থিক জীৱনত, যি পাৰমাৰ্থিক জীৱনৰ মূৰ্ত কাল্পনিক

ৰূপ ঈশ্বৰ।

প্ৰায় সকলো মানুহেই আত্ম কেন্দ্ৰিক। নিজৰ জীৱন সুখী কৰাৰ প্ৰৱণতা কম বেচি পৰিমাণে প্ৰায় সকলো মানুহতে আছে। বাস্তৱিক আৰু মানসিক সম্পদ বাঢ়িক সেয়ে মানুহে অধিকাৰ কৰিব বিচাৰে। বিশ্বাসত লোৱা এক পাৰমাৰ্থিক জীৱনলৈ নিজৰ জীৱনক উত্তোলিত কৰাটো প্ৰায়বোৰ মানুহেই বিচাৰে। সেয়ে মানুহে মুক্তি প্ৰাপ্তিৰ ধাৰণা কৰে। একমাত্ৰ সত্য বুলি ভবা ঈশ্বৰক নিজৰ জীৱনলৈ লৈ আনিব বিচাৰে, বা নিজৰ জীৱনক সেই ঈশ্বৰ মণ্ডললৈ লৈ যাব বিচাৰে।

এতেকে দেখা গ'ল যে মানুহৰ ধৰ্মীয় মানসিকতাই জন্ম দিলে ধৰ্মৰ। এই ধৰ্মৰ মাধ্যমেৰে আবিষ্কাৰ কৰা হ'ল বিশ্বাসৰ এখন পাৰমাৰ্থিক জগতৰ। ভবা হ'ল যে ঈশ্বৰ বা ব্ৰহ্মত নিহিত থকা সেই পাৰমাৰ্থিক জগতৰ কৰুণাতে এই জগত আৰু লগতে মানৱ জীৱন তিষ্ঠি আছে। এইবোৰ কথাৰ তৰ্কীয় যুক্তি কিমান ক'ব নোৱাৰি। তথাপি মানুহে এইবোৰ কথা ভাবি ভাল পায়, কল্পনাৰে সকলো পূৰ্ণতাৰ এখন আদৰ্শ জগত ৰচনা কৰি ভাল পায় আৰু সেই আদৰ্শ জগতৰ বোলেৰে ইহ জগতক ৰঞ্জিত কৰি ভাল পায়। এইটো মানুহৰ প্ৰৱণতা। বহুতবোৰ প্ৰৱণতাৰ ভিতৰত ইও এটা। সেয়ে সকলো ধৰ্মতে এইবোৰ মৌলিক ভাবে আছে, যদিও পুঙ্খানুপুঙ্খ ক্ষেত্ৰত সেইবোৰৰ মাজত পাৰ্থক্য দেখা যায়।

ধৰ্ম মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ লগত জড়িত। ধৰ্মৰ মাধ্যমেৰে যিবোৰ নিয়ম কানুন সমাজত প্ৰচলিত কৰোৱা হয়, মানুহ সেইমতে চলে। 'নাপাই'ৰ ধাৰণা দি মানুহক বহুত বেয়া কামৰপৰা বিৰত কৰে। যিহেতু বেচিভাগ মানুহৰ নিজস্ব জ্ঞান-বুদ্ধি কম, সেয়ে তেওঁলোকৰ বাবে প্ৰয়োজন হয় কিছুমান বাহ্য নিয়ম-নীতিৰ। সেইবোৰক তেওঁলোকে অন্ধ ভাবেই অনুকৰণ কৰে।

ধৰ্মক কাণ্টে ইচ্ছাৰে এক ক্ৰিয়া বুলিছে। এই দিশৰ পৰা ধৰ্ম পূৰামাত্ৰাই মানুহৰ ক্ৰিয়া-কাণ্ডৰ লগত জড়িত। ধৰ্মক কাণ্টে প্ৰায়োগিক যুক্তি বা বিবেকৰ লগত একে কৰিছে। এই প্ৰায়োগিক যুক্তিয়ে কি কাম কৰিব লাগে, কি কাম কৰিব নালাগে, কি দৃষ্টিভঙ্গী ল'ব লাগে ইত্যাদি কথাকে কয়। কাণ্টৰ মত ব্যাখ্যা কৰি মে. জি. চাৰ্লছৱৰ্থে লিখিছে, "Religion is a matter of the will, it being understood and identified with practical reason, that is to say certain acts ought to be done or that certain attitudes ought to be adopted." ১৭

ভাৰতৰ প্ৰসঙ্গত ধৰ্ম শব্দটোৱে প্ৰধানতঃ কৰ্মক বুজায়। গীতা পঢ়িলে এই কথা ভালদৰে হৃদয়ঙ্গম হয়। নিজ কৰ্তব্য কৰ্মৰ লগত যেতিয়া ঈশ্বৰ সেৱা জড়িত হয় তেতিয়াই সি ধৰ্ম হয়। এই ধৰ্ম কৰ্ম, জ্ঞান আৰু ভক্তিৰ মাধ্যমেৰে সম্পাদিত হয়। মনুৰ মতে ধৰ্ম আচৰিবলৈ হ'ল মানুহে দহটা নিয়ম অৱলম্বন কৰিব লাগিব। এই দহটা নিয়ম হ'ল – (১) ধৃতি–অৰ্থাৎ ধৈৰ্য, (২) ক্ষমা অৰ্থাৎ সহ্য কৰা গুণ, (৩) দম অৰ্থাৎ আত্ম

সংযম, (৪) অস্তেয় অৰ্থাৎ চৌৰ্যবৃত্তিৰপৰা দূৰত থকা, (৫) শৌচ অৰ্থাৎ শুদ্ধতা বা পবিত্ৰতা, (৬) ইন্দ্ৰিয় নিগ্ৰহ অৰ্থাৎ ইন্দ্ৰিয় সংযম, (৭) ধী অৰ্থাৎ বুদ্ধি, (৮) বিদ্যা অৰ্থাৎ প্ৰজ্ঞা, (৯) সত্যম অৰ্থাৎ সত্যবাদিতা আৰু (১০) অক্ৰোধ অৰ্থাৎ খঙৰপৰা বিৰত থকা। এই গুণবোৰ মানব জীবনৰ বাবে লাগতিয়াল। এইবোৰ সম্পূৰ্ণৰূপে নীতিভিত্তিক কথা। ইয়াত পাৰলৌকিকতাৰ একো ছাপ নাই।

ধৰ্মৰ বাবে জীবন নহয়, জীবনৰ বাবেহে ধৰ্ম। মানব জীবন সকলোৰে ওপৰত। জীবনৰ বাদে সকলো বস্তুৱেই মানব জীৱনক সংৰক্ষণ কৰিবৰ বাবে উপায় স্বৰূপ – লাগে এই জীবনৰ অৰ্থ আমি যি ভাবেই নলওঁ লাগে। আনকি ঈশ্বৰৰ ধাৰণাও জীবন সংৰক্ষণৰ চাহিদাতে আহি পৰিছে। ঈশ্বৰ সচা নে মিচা জনা নাযায়, কিন্তু ঈশ্বৰৰ ধাৰণা সচা। ই মানুহৰ মানসিক বৃত্তিৰে প্ৰতিফলন। সংস্কৃতত কোৱা 'আত্মানং সততং ৰক্ষেৎ' বোলা বচনটো অন্য সকলো বচনৰে মূল।

মানুহে নিজকে উদ্ধাৰ কৰাৰ প্ৰচেষ্টা চিৰন্তনীয়। প্ৰাকৃতিক বান্ধোন, সামাজিক বান্ধোনৰপৰা উদ্ধাৰৰ পথ মানুহে অহৰহ বিচাৰি আছে। আনকি ধৰ্মীয় বান্ধোনৰ পৰাও বহুত সময়ত মানুহে নিজকে উদ্ধাৰ কৰিব বিচাৰে। এই উদ্ধাৰৰ লক্ষ্য হ'ল মুক্তি। বেচিভাগ মানুহে এই মুক্তি জীৱন্ত কালতে বিচাৰে, কাৰণ পাৰলৌকিক মুক্তি বহুতৰ বাবে সন্দেহজনক। বহুতে ধৰ্মৰ মাধ্যমেৰেও এই মুক্তিৰ পথ বিচাৰে।

এই সকলোবোৰ কথাই এটা কথাকে সাব্যস্ত কৰে যে কোনো প্ৰকাৰে ধৰ্মক মানব জীবনৰপৰা বিচ্ছিন্নকৃত অৰ্থত চাব নোৱাৰি। Y. Masih বোলা লিখক জনে তেওঁৰ Introduction to Religious Philosophy নামৰ কিতাপখনৰ পাতনিৰ প্ৰথম শাৰীটোতে লিখিছে, "Religion comes out of life and can never be divorced from it." জীবন ব্যবহাৰ্যৰ দিশত তাৎপৰ্য থকা বুলি ভাবিয়েই মানুহে ধৰ্ম আৰু ইয়াৰ লগত জড়িত পাৰলৌকিক বিশ্বাসবোৰক আদৰে।

অলৌকিকতাত সৰ্বিক বিশ্বাসে লৌকিকতাৰ ওপৰত কম গুৰুত্ব স্থাপনলৈ লৈ যায়। এই দুয়োটা বিশ্বাস সমানে গুৰুত্বপূৰ্ণ হ'ব নোৱাৰে। যি জনে অলৌকিকতাক বেচি বিশ্বাস কৰে তেওঁ লৌকিকতাক কম বিশ্বাস কৰে, আৰু যিজনে লৌকিকতাক বেচি বিশ্বাস কৰে, তেওঁ অলৌকিকতাক কম বিশ্বাস কৰে। সেয়ে শংকৰাচাৰ্য, প্লেটো, হেগেল, ব্ৰেড্‌লি আদি দাৰ্শনিকে লৌকিকতাক কম গুৰুত্ব দিছে, কাৰণ তেওঁলোকৰ বাবে ব্ৰহ্ম বা Absolute-এই সৰ্বেসৰ্বা। আকৌ কাৰ্ল মাৰ্ক্স, চাৰ্বাক, ফুৱেৰবাক আদিয়ে লৌকিক জগতক অধিক গুৰুত্ব দিছে বাবে অলৌকিকতাৰ ওপৰত তেওঁলোকৰ বিশ্বাস কম বা নায়েই।

জীবনক সাধাৰণতে দুটা অৰ্থত লোৱা হয়। ইহ জীবন আৰু পৰজীবন। তেজ-মঙহ সম্বলিত বৰ্তমানৰ জীবনক ইহ জীবন আৰু এই জীবনৰ মৃত্যুৰ পাচত আত্মাৰ যি জীবন সি হ'ল পৰজীবন। সাংখ্য আৰু বেদান্ত দৰ্শনত পৰজীবনত অবশ্যে আত্মাৰ লগত দেহৰ সূক্ষ্ম ৰূপ জড়িত হৈ থাকে বুলি ভবা হয়। মুক্তিতহে ই আঁতৰি যায়।

7 এতিয়া কোনটো জীৱন মানুহৰ বাবে অৰ্থযুক্ত? বহুতৰ বাবে ইহজীৱন অৰ্থযুক্ত আৰু বহুতৰ বাবে পৰজীৱন অৰ্থযুক্ত। প্ৰায় সকলোবোৰ ধৰ্মই কিন্তু পৰজীৱনৰ ওপৰত গুৰুত্ব বেছি দিয়ে। সেয়ে এই জীৱনৰ আধ্যাত্মিক দিশটোৰ ওপৰত অধিক গুৰুত্ব স্থাপনেৰে ই আধ্যাত্মিক সৌষ্ঠৱৰ কথা ভাবে, যাৰ মাধ্যমেৰে পাৰ্থিৱ জীৱনৰ মাজৰ পৰা উপনিষদত উল্লেখিত 'আনন্দময়' সত্তা উদ্ঘাটন কৰি আত্মাৰ অমৰত্ব সাব্যস্ত কৰিব বিচাৰে। সেয়ে বহুত সময়ত ধৰ্মই বৈষয়িক জীৱনৰ উন্নতিৰ প্ৰতিবন্ধক ৰূপেও দেখা দিয়ে।

বহুতৰ মতে ধৰ্মই মানুহৰ চেতনাৰ ওপৰত এক মোহগ্ৰস্ত জাল পেলাই মানুহক মোহিত কৰি ৰাখে। ই জীৱনৰ আফিং স্বৰূপ বুলি ভবা হয়। ই মানুহৰ বাবে এক কল্পিত লোকৰ সৃষ্টি কৰি তাত মানুহৰ বাস্তৱ হা-হুমুনিয়াহবোৰৰ কল্পিত সমাধান বিচাৰে। মানুহ ঘূৰে এক কল্পিত সূৰ্যৰ চাৰিওফালে। নিষ্ঠুৰ বাস্তৱতাক পাহৰা ই এক সুৰাৰ দৰে। বাস্তৱৰ ধামখুমীয়া অতীষ্ঠ মানুহে ধৰ্মৰ কোলাত বিচাৰি পায় শান্তিৰ পৰশ, সান্ত্বনাৰ সুধা।

পৃথিৱীৰ বেছি ভাগ মানুহেই দৈনন্দিন জীৱনৰ খুটি-নাটিত ব্যস্ত। বেছি ভাগ মানুহেই ধৰ্ম পালন কৰে যদিও পাৰলৌকিক জীৱনৰ প্ৰতি খুব কম মানুহহে আকৃষ্ট হয়। মানুহে ঈশ্বৰ আদিৰ কথা ভাবে নিজৰ জীৱনৰ মঙ্গল বা কল্যাণৰ বাবে, নিজৰ জীৱনৰ বৈষয়িক উন্নতিৰ বাবে, সুস্বাস্থ্যৰ বাবে, দীৰ্ঘ জীৱনৰ বাবে, পাপ খণ্ডাবৰ বাবে। এইবোৰৰ স্বাৰ্থতেই ধৰ্মৰ মাধ্যমেৰে ঈশ্বৰ বা দেৱতা-বিগ্ৰহৰ কৰুণা ভিক্ষা কৰে। সেই ঈশ্বৰ বা দেৱতাই মানুহৰ কথা শুনিছে নে নাই তাৰ প্ৰতি লক্ষ্য কৰিবলৈ মানুহৰ আহৰি নাই। দৈনন্দিন জীৱনত সন্মুখীন হোৱা প্ৰতিৰোধবোৰক দূৰীভূত কৰিবলৈ ভগৱানৰ শৰণ লয়। কেতিয়াবা ভগৱান সজা বা ভগৱানৰ অৱতাৰ ৰূপে প্ৰচাৰ চলোৱা কোনো গুৰুৰ ওচৰতো নিজকে সঁপি দিয়ে। এই সকলোবোৰ কথাতে এক মানৱীয় দুৰ্বলতা বিদ্যমান।

আকৌ ধৰ্মৰ নামত বহুত সময়ত মানুহ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বলি হয়। ভূত-প্ৰেতৰ ধাৰণা মানুহৰ মাজত প্ৰচাৰ কৰি মানুহক কৰি তোলে ভীতিগ্ৰস্ত। মানুহ ধৰ্মৰ নামত ব্যৱসায় কৰা সকলৰ দাস হৈ পৰে। ফলত বহুত মানুহৰ জীৱনলৈ নামি আহে বিভীষিকা।

সেইদৰে ধৰ্মই সাম্প্ৰদায়িকতা ভাৱৰো সৃষ্টি কৰে। ধৰ্মৰ নামত সৃষ্টি হোৱা বৰ্তমানৰ পৃথিৱীত সাম্প্ৰদায়িকতাবাদে কদৰ্য ৰূপত মূৰ দাঙি উঠিছে। ই বহুত দিন একেলগে থকা মানুহৰ মাজত সাম্প্ৰদায়িক বিভেদৰ সৃষ্টি কৰি একে দেশৰ, একে ভাষাৰ, একে সংস্কৃতিৰ মানুহৰ ভিতৰত দলাদলিৰ সৃষ্টি কৰিছে, দেশৰ বিভাজন ঘটাইছে, ৰাম মন্দিৰ-বাবৰি মছজিদৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে। এইবোৰৰ পৰা মুক্তি পোৱাৰ উপায়ৰ কথা মানুহে ভাবিবৰ হ'ল। ধৰ্মীয় মনোভাৱৰ মাধ্যমেৰে নে বৈজ্ঞানিক মানসিকতাৰ মাধ্যমেৰে এইবোৰ ভাব দূৰ কৰিব পাৰি তাৰ অধ্যয়ন কৰিবৰ সময় সমাগত।

জীৱন সম্পৰ্কে এক সুস্থ চেতনাৰ অনুশীলন কৰাটো প্ৰত্যেক ব্যক্তিৰ ক্ষেত্ৰতে প্ৰয়োজনীয়। অন্ধ অতীত প্ৰীতিৰ পৰা নিজকে মুক্ত কৰি কেনেকৈ এক সুস্থ জীৱন

বোধক গঢ়ি তুলিব পৰা যায় তাৰ বাবে মানুহ সচেষ্ট হোৱাটো প্ৰয়োজন। ই সম্ভব হয় জীবন চেতনাক জাগতিক চেতনাৰ লগত চামিল কৰাৰ দ্বাৰা। অদ্বৈত বেদান্তৰ আত্মা-ব্ৰহ্মৰ তাদাত্ম্যৰ ধাৰণাৰ ভিত্তিত এই কথা বুজিব পৰা যায়, যদি আমি এই দুই ধাৰণাক বাস্তব তাৎপৰ্যৰ অৰ্থত লওঁ।

আমি ভাবোঁ স্বৰ্গক সমৃদ্ধিশালী কৰাতকৈ মৰ্ত্যক সমৃদ্ধিশালী কৰাটো বেচি প্ৰয়োজনীয়। স্বৰ্গৰ কল্পনাৰ আধাৰত যদি মৰ্ত্যক সজাবলৈ চেষ্টা কৰা হয় সি আৰু ভাল কথা। স্বৰ্গৰ ধৰ্মীয় ধাৰণাক মৰ্ত্যৰ বাস্তব ধাৰণালৈ পৰ্যবসিত কৰি তাৰ মাধ্যমত এক সুস্থ কল্যাণকৰ জীবনৰ বাবে পৰিস্থিতি নিৰ্মান মানুহৰ বাবে এক পবিত্ৰ কৰ্তব্যই হ'ব। সিহে প্ৰকৃত ধৰ্ম হ'ব, যদিহে আমি তাক ধৰ্ম বুলি ক'ব বিচাৰোঁ।

সৰ্বশেষত ধৰ্মক মানব জীবনৰ প্ৰতি থকা এক কৰ্তব্য বদ্ধতাৰ প্ৰবণতা বুলি গণ্য কৰিব পাৰি। এই কথা সমৰ্থন কৰি মেক গ্ৰেগৰে লিখিছে, ''ধৰ্ম হ'ল জীবনৰ কোনো ধৰণ বা গুণৰ প্ৰতি থকা দায়বদ্ধতা যি জীৱনে ইয়াৰ অতীত কোনো উৎসক স্বীকাৰ কৰাক বুজায় আৰু যি মানবীয় আচৰণ, সংস্কৃতি আৰু চিন্তাত চিনাক্ত কৰিব পৰা ফলশ্ৰুতিত ব্যক্ত হয়।''১৮ গ্ৰেগৰৰ এই কথা সম্পূৰ্ণভাবে গ্ৰহণ কৰিব নোৱাৰিলেও ই ধৰ্ম আৰু জীবনৰ মাজৰ সম্পৰ্কক স্থিৰ কৰিবলৈ কিছু সক্ষম হৈছে।